# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - - -**

সমগ্ৰ দেশতে আজি মাজনিশাৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতি লিটাৰ পেট্ৰ'ল আৰু ডিজেলত আৱকাৰী শুল্ক ২ টকাকৈ বৃদ্ধি পাব। অৱশ্যে ইয়াৰ ফলত দুয়োবিধ ইন্ধনৰ খুচুৰা মূল্য বৃদ্ধি নহ'ব বুলি তৈল বিপণন কোম্পানীসমূহে প্ৰকাশ কৰিছে। কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি নতুন দিল্লীত সাংবাদিকৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে আৱকাৰী শুল্কৰ এই বৃদ্ধিয়ে গ্ৰাহকসকলৰ ওপৰত প্ৰত্যক্ষভাৱে বিশেষ প্ৰভাৱ নেপেলায়।

তদুপৰি ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্যও ৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। শ্ৰী পুৰীয়ে কয়, যে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলে ৰন্ধন গেছৰ চিলিণ্ডাৰ কাইলৈৰ পৰা ৫৫০ টকাত আৰু অন্য সকলে ৮৫৩ টকাত লাভ কৰিব। অৱশ্যে ইয়াৰ সৈতে ৰাজ্যিক কৰৰ নিৰিখ ধৰা হোৱা নাই।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যত শাসক-বিৰোধী উভয়পক্ষৰ মাজত নিৰ্বাচনী তৎপৰতা পৰিলক্ষিত হৈছে। এইবাৰ পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই বুজাবুজিৰে নিৰ্বাচনী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

অহা ২ আৰু ৭ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে বিজেপিয়ে পঞ্চায়ত নিৰ্বাচনৰ সংকল্প পত্ৰৰ বাবে ৰাইজৰ পৰা পৰামৰ্শ বিচাৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই জনসাধাৰণক ই-মেইল, হোৱাটছএপ অথবা লিখিতভাৱে তেওঁলোকৰ দিহা-পৰামৰ্শসমূহ পোনপটীয়াকৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনাইছে। জনসাধাৰণে panchayatsankalpatra@gmail.com অথবা ৯১০১৬ ৬৪৫৯৩ নম্বৰত হোৱাটছএপ যোগে তেওঁলোকৰ পৰামৰ্শসমূহ অহা ১০ এপ্ৰিলৰ ভিতৰত প্ৰেৰণ কৰিব পাৰিব।

পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি শোণিতপুৰ জিলাৰ তেজপুৰ, ৰঙাপাৰা আৰু বৰচলা বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও পঞ্চায়তৰ বাবে বিশেষ ব্যৱস্থা লোৱা হৈছে। সেই অনুসৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত প'ষ্টেল বেলট পেপাৰ, ই ডি চি কোষ আৰু ড্ৰপ বক্স সুবিধা কেন্দ্ৰ স্থাপন কৰা হৈছে।

ডিব্ৰুগড় জিলাতো পঞ্চায়ত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে আজি নন্দলাল বৰগোহাঁই চিটী মহাবিদ্যালয়ত জ'নেল আৰু ছেক্টৰ বিষয়াসকলৰ খণ্ড আৰু পথ পৰিকল্পনা, নিৰ্বাচন প্ৰক্ৰিয়া তথা বেলট বাকচৰ সন্দৰ্ভত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত অহা ২ মে'ত ২২ খন জিলা পৰিষদ, ৭ খন আঞ্চলিক পঞ্চায়ত আৰু ৯৩ খন গাঁও পঞ্চায়তৰ অন্তৰ্গত ৯৩০টা ৱাৰ্ডৰ বাবে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ooooo

উত্তৰ-পূব উদ্যোগী নাৰী সন্থাই ডিব্ৰুগড়ৰ জেউতি মৰল সংঘ খেলপথাৰত আজিৰে পৰা ৫ দিনীয়াকৈ **ৰঙালী ৰং** শীৰ্ষক এখন বস্ত্ৰমেলাৰ আয়োজন কৰিছে। অসম পৰ্যটন উদ্যোগ নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই

আনুষ্ঠানিকভাৱে এই মেলাৰ শুভাৰম্ভ কৰে। উত্তৰ-পূব উদ্যোগী নাৰী সন্থাই মহিলা উদ্যোগীৰ দ্বাৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰী আৰু জনজাতীয় খাদ্য সম্ভাৰৰ মেলাৰ আয়োজনৰ জৰিয়তে বিগত কেইবা বছৰ ধৰি মহিলা সবলীকৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে।

০০০০০

কাৰ্বি আংলং জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ ৰংবাৰিম গাঁৱৰ ৩০০ৰো অধিক লোকৰ মাজত আজি ভূমি পট্টা বিতৰণ কৰা হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে এই ভূমি পট্টাসমূহ বিতৰণ কৰি কয়, যে সীমান্ত অঞ্চলত থকা লোকসকলক ভূমি পট্টা প্ৰদানৰ বিষয়টোক তেওঁলোকে প্ৰাধান্য দিছে। অনুষ্ঠানত কাৰ্বি আলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সূৰ্য ৰংফাৰ, সদস্যা কাদম তেৰাংপিকে ধৰি বিভিন্ন নিগম নিকায়ৰ অধ্যক্ষসকল উপস্থিত থাকে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৰাষ্ট্ৰীয় দক্ষতা অৰ্হতা আৰ্হি কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ শিক্ষা অভিযানৰ অধীনত ৰাজ্যখনৰ এহেজাৰ ৫০০ খন মাধ্যমিক বিদ্যালয়ত চলি থকা দক্ষতা বিকাশৰ পাঠ্যক্ৰমৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা বৈঠকত বিভিন্ন দক্ষতা পৰিষদে দিয়া পৰামৰ্শ অনুসৰি শিক্ষানুষ্ঠানৰ আদৰ্শ পাঠ্যক্ৰমত দক্ষতাৰ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে চলিত বছৰৰ পৰাই মাধ্যমিক পাঠ্যক্ৰমত দক্ষতা বিকাশৰ শিক্ষাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা ব'ৰ্ডে বিদ্যায়তনিক নীতি-নিৰ্দেশনাৰ সংস্কাৰ সাধন কৰি ছাত্ৰ-ছাত্ৰীয়ে বাচনি কৰিব পৰাকৈ বিভিন্ন দক্ষতা বিকাশৰ পাঠ্যক্ৰম ৰখাৰ ব্যৱস্থা কৰিছে বুলি ডাঃ পেগুৱে উল্লেখ কৰে।

০০০০০

অসম-অৰুণাচল সীমান্তৱৰ্তী গেৰুকামুখত নিৰ্মীয়মান নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত এজন শ্ৰমিকৰ আজি দুৰ্ঘটনাবশত মৃত্যু হয়। প্ৰকল্পটোৰ মূল বান্ধৰ কাম চলি থকাৰ সময়তে যন্ত্ৰৰ এটা অংশ ভাঙি পৰাৰ ফলত শ্ৰমিকজনৰ মৃত্যু হয়। মৃত শ্ৰমিকজন গোগামুখ শলখবাৰীৰ মনোজ সোণোৱাল বুলি জানিব পৰা গৈছে। প্ৰকল্পটোত ১০ দিন পূৰ্বেও দুৰ্ঘটনাবশত আন এজন শ্ৰমিকৰ মৃত্যু হৈছিল বুলি আমাৰ ধেমাজিৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০

শিৱসাগৰ জিলাৰ নাজিৰাৰ সৰবৰহী মহিলা তথা সমাজ সেৱিকা অঞ্জলী গগৈৰ আজি পুৱতি নিশা যোৰহাটৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। হৃদ ৰোগকে ধৰি অন্যান্য শাৰীৰিক অসুস্থতাৰ বাবে তেওঁ যোৱা ১ এপ্ৰিলৰ পৰা চিকিৎসাধীন হৈ আছিল। বিবিচি এছিয়া পেচিফিকৰ সম্পাদকৰ দায়িত্বত থকা শচীন গগৈৰ মাতৃ অঞ্জলী গগৈ অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতেও জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। বৈদেশিক পৰিক্ৰমা বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই প্ৰয়াত গগৈৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

সমাপ্ত